# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-09-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ পৰামৰ্শাৱলী সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলক কাইলৈ সাক্ষাৎ কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে, এই বিষয়ত সংগঠনটো নেতৃবৃন্দৰ সৈতে হ'বলগীয়া আলোচনালানি কাইলৈ আৰম্ভ হ'ব। ৰাজ্য চৰকাৰে এই সন্দৰ্ভত সংগঠনটোৰ পৰামৰ্শসমূহ গ্ৰহণ কৰাৰ পাছত অন্য সংগঠনৰ সৈতেও আলোচনা কৰিব। উল্লেখযোগ্য যে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বাধীন সমিতিয়ে ১৯৭১ চনৰ পাছত অসমলৈ অহা বুলি চিনাক্ত হোৱা অনুপ্ৰৱেশকাৰী সকলক বহিষ্কাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱা পৰ্যন্ত ৰাজ্যৰ বাহিৰৰ কোনো স্থানত সংস্থাপন কৰাৰ পৰামৰ্শ দিছে। তদুপৰি সমিতিয়ে অসমীয়াৰ সংজ্ঞাও নিৰ্ধাৰণ কৰিছে। সমিতিৰ পৰামৰ্শসমূহ সম্পূৰ্ণৰূপে ৰূপায়ণৰ বাবে কোনো কোনো ক্ষেত্ৰত সাংবিধানিক আৰু সংসদীয় ক্ষেত্ৰত সংস্কাৰ সাধনৰ প্ৰয়োজন হ'ব। পৰামৰ্শৱলী লগতে সংবিধানৰ ৩৭১খ অনুচ্ছেদ সালসলনিৰ প্ৰয়োজনীয়তা সম্পৰ্কেও উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কিছুদিন পূৰ্বে অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত গঠিত এই সমিতিৰ পৰামৰ্শসমূহ ৰূপায়ণক লৈ মন্তব্য কৰি বৰাক উপত্যকাৰ জিলাকেইখন আৰু স্বায়ত্বশাসিত জিলাকেইখনৰ বাহিৰে অন্য জিলা বিশেষ নামনি অসমত এই পৰামৰ্শৱলী ৰূপায়ণত কোনো সমস্যা নহ'ব বুলি মত প্ৰকাশ কৰিছিল। অহা বছৰৰ এপ্ৰিল মাহৰ ভিতৰত কেইটামান পৰামৰ্শ কাৰ্যকৰী কৰা হ'ব বুলি তেওঁ উল্লেখ কৰিছিল। উল্লেখযোগ্য যে অসম চুক্তিৰ ৬ নম্বৰ দফাত অসমৰ খিলঞ্জীয়া লোকৰ সাংবিধানিক, বিধায়িনী আৰু প্ৰশাসনীয় অধিকাৰ ৰক্ষাৰ লগতে সামাজিক, সাংস্কৃতিক আৰু আংশিক অধিকাৰৰ সুৰক্ষাৰ প্ৰসংগ উল্লেখ কৰা হৈছিল। অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিয়ে দিয়া ৬৭টা পৰামৰ্শৰ ভিতৰত ৫২টা পৰামৰ্শ ৰাজ্য চৰকাৰে কাৰ্যকৰী কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে। আনহাতে বাকীকেইটা পৰামৰ্শ ৰূপায়ণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ প্ৰয়োজন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰিছিল।

০০০০০০০

ৰাজ্যত প্ৰধানমন্ত্ৰী সূৰ্যঘৰ আঁচনিৰ অধীনত এতিয়ালৈকে এহেজাৰ ১০০ টা ঘৰৰ চাঁদত সৌৰ বিদ্যুৎ উৎপাদনৰ প্ৰণালী স্থাপন কৰা হৈছে আৰু ইয়াৰ জৰিয়তে ৩ হাজাৰ ৭২৩ কিলোৱাট উৎপাদন ক্ষমতাৰ সংযোজন ঘটিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰি অসম শক্তি বিতৰণ কোম্পানী লিমিটেড আৰু এই আঁচনিৰ ৰূপায়ণ প্ৰক্ৰিয়াৰ সৈতে জড়িত সকলোকে এই সাফল্যৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০০০

তামুলপুৰ জিলাত সমাগত চতুৰ্থ ৰাষ্ট্ৰীয় মুখ্য সচিব সন্মিলনৰ প্ৰস্তুতি সন্দৰ্ভত আজি জিলাৰ অতিৰিক্ত আয়ুক্তৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰী উপস্থিত

থকা এই বৈঠকত বিভাগসমূহৰ অধীনত চলি থকা কাম-কাজৰ প্ৰত্যাহ্বান আৰু তাৰ সমাধান সম্পৰ্কে অতিৰিক্ত আয়ুক্তই সংশ্লিষ্ট বিষয়াসকলৰ পৰা মতামত বিচাৰে। উল্লেখযোগ্য যে এইবাৰ হ'বলগীয়া চতুৰ্থ ৰাষ্ট্ৰীয় মুখ্য সচিব সন্মিলনৰ মূল বিষয় হৈছে- **উদ্যমশীলতা, নিযুক্তি আৰু দক্ষতা বৃদ্ধি, জনগাঁথনিগত লভ্যাংশৰ উত্তৰণ**। আজি বৈঠকত অতিৰিক্ত আয়ুক্তই বিভিন জনকল্যাণমূলক বিষয় আৰু বিশেষ স্ব-নিয়োজনৰ ক্ষেত্ৰত যুৱক-যুৱতীসকলক সহায় কৰিব পৰাকৈ সংশ্লিষ্ট সকলৰ পৰা পৰামৰ্শ বিচাৰে।

0000000

গুৱাহাটী মহানগৰীৰ ভৌগোলিক তথ্য ব্যৱস্থা আধাৰিত নৰ্দমাসমূহৰ উন্নয়নৰ বাবে পৰিকল্পনা আৰু বিস্তৃত প্ৰকল্প প্ৰতিবেদন যুগুত কৰাৰ বাবে নেডাৰলেণ্ডছৰ এটা প্ৰতিষ্ঠানক গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে দায়িত্ব অৰ্পণ কৰিছে। মহানগৰীৰ কৃত্ৰিম বানৰ সমস্যাক লৈ দাখিল হোৱা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি অসম চৰকাৰে এই তথ্য প্ৰকাশ কৰে। শুনানিকালত অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিত শইকীয়াই আদালতত কয় যে, পৰিকল্পনা আৰু প্ৰকল্প প্ৰতিবেদন যুগুত কৰাৰ বাবে নেডাৰলেণ্ডছৰ এই প্ৰতিষ্ঠানক দায়িত্ব দিয়া হৈছে আৰু দায়িত্ব লাভ কৰাৰ ৯ মাহৰ ভিতৰত যাৱতীয় কাম-কাজ সম্পূৰ্ণ কৰিব লাগিব। আনহাতে ৰাজহুৱা স্বাৰ্থজড়িত আবেদনখনৰ শুনানিকালত ভাৰতীয় বন সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া আকাশদ্বীপ বৰুৱাই মহানগৰীৰ বানৰ কাৰণ আৰু সমাধান সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। অহা ২৯ অক্টোবৰ আবেদনৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে।

0000000

কৰিমগঞ্জ জিলাৰ নৱনিযুক্ত আয়ুক্তই আজি জিলাখনৰ সকলো সংবাদকৰ্মীৰ সৈতে সৌজন্যমূলক সভা অনুষ্ঠিত কৰে। সভাত ভাষণ দি আয়ুক্তগৰাকীয়ে শান্তি শৃংখলাৰ দিশত জিলাখনত সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি কোৱাৰ লগতে চৰকাৰী সকলো কামকাজ নিৰ্দিষ্ট গতিৰে চলিব বুলিও তেওঁ জানিবলৈ দিয়ে। ইয়াৰ উপৰি ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিসমূহ প্ৰকৃত হিতাধিকাৰীক গতাই দিয়া হ'ব বুলি উল্লেখ কৰি তেওঁ আগন্তুক দুৰ্গা পূজাৰ সময়ছোৱাত শান্তি-শৃংখলা বজাই ৰাখিবলৈ জিলাবাসীক আহ্বান জনায়।

0000000

উত্তৰ বংগৰ মইনাগুৰিত আজি পুৱা এখন মালবাহী ৰে'লগাড়ীৰ কেইবাটাও দবা লাইনৰ পৰা বাগৰি পৰে। ইয়াৰ ফলত অসম আৰু নিউ জলপাইগুৰিৰ মাজৰ ৰে'লপথেৰে চলাচল কৰা কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰা বাতিল কৰা হৈছে, যাত্ৰাপথ সলনি কৰা হৈছে অথবা যাত্ৰাপথ চমুৱাই দিয়া হৈছে। ৰে'ল বিভাগে ৰে'লসমূহৰ যাত্ৰা স্বাভাৱিক কৰাৰ বাবে দ্ৰুতগতিত কাম-কাজ অব্যাহত ৰাখিছে।

0000000

**সমাপ্ত**